গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া ASM-HE-6056 নং কাকতৰ বাবে প্ৰস্তুত কৰা

# ক্ষুদ্ৰ গৱেষণা পত্ৰ

## বিষয় ঃ কাজিপাৰা গাঁৱৰ ঐতিহ্য

Presented 08/06/2024

Sh. 10-6-24


তত্ত্বাৱধায়িকা

**ড° মনিমা ভূঞা**

মুৰব্বী অধ্যাপিকা

অসমীয়া বিভাগ

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী

নাম ঃ ভাস্বতী কলিতা

শ্ৰেণী ঃ ষষ্ঠ ষান্মাসিক

শ্ৰেণী ৰোল নং- BA-২১০১৭৫

ৰোল নং- UA-২১১-১৯৩-০০৫১

পঞ্জীয়ন নং- ২১০৮৬৪০১

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়


## কৃতজ্ঞতা স্বীকাৰ :

গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ কাকতৰ জৰিয়তে ক্ষুদ্ৰ গৱেষণা কৰাটো এটা বাধ্যতামূলক বিষয়। এই গৱেষণা কাৰ্য্যৰ জৰিয়তে লিখনি প্ৰস্তুত কৰাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপিকা বাইদেৱে বিশেষভাৱে সহায় কৰিছে। লগতে আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ আঠাইকেইজন ছাৰ বাইদেৱে সহায়ৰ হাত আগবঢ়াইছে। ইয়াৰ জৰিয়তে মই তেখেতসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইয়াৰ উপৰিও গৱেষণা বিষয়টো প্ৰস্তুত কৰণত প্ৰয়োজনীয় গ্ৰন্থ পাতি গ্ৰহণ কৰিছো মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পৰা। গতিকে পুথিভঁৰালৰ দায়িত্বত থকা ছাৰ-বাইদেউসকললৈ মোৰ শ্ৰদ্ধা থাকিল।

ইয়াৰ উপৰিও বিভিন্নকাৰ্য্যত তথ্য-পাতি সংগ্ৰহৰ ক্ষেত্ৰত সহায় সহযোগিতা কৰা মোৰ বান্ধৱীলৈয়ো কৃতজ্ঞতা যাচিছো।

নলবাৰী জিলাৰ মানচিত্ৰ :



# সূচীপত্ৰ


| | | পৃষ্ঠা নং |
|---|---|---|
| ০.০ | অৱতৰণিকা | ১ |
| ০.১ | অধ্যয়নৰ প্ৰয়োজনীয়তা | ২ |
| ০.২ | অধ্যয়নৰ পৰিসৰ | ৩ |
| ০.৩ | অধ্যয়নৰ উদ্দেশ্য | ৪ |
| ০.৪ | অধ্যয়নৰ সমল | ৫ |
| ০.৫ | অধ্যয়নৰ পদ্ধতি | ৬ |
| ১.০ | প্ৰথম অধ্যায় | |
| ১.১ | নলবাৰী জিলাৰ পৰিচয় | ৭-১০ |
| ১.২ | কাজিপাৰা গাঁওৰ পৰিচয় | ১১-১৫ |
| ১.৩ | চাৰিসীমা, মাটিকালি | ১৬ |
| ১.৪ | জনসংখ্যা, জাতি, বৰ্ণ, ধৰ্ম | ১৭-১৯ |
| ১.৫ | গাঁওখনৰ ক্ৰীড়া | ২০-২৪ |
| ২.০ | দ্বিতীয় অধ্যায় | |
| ২.১ | লোকপৰিবেশ্য কলা | ২৫-২৬ |
| ২.২ | নলবাৰী অঞ্চলৰ লোকপৰিবেশ্য কলা | ২৭-৩৮ |
| ৩.০ | তৃতীয় অধ্যায় | |
| ৩.১ | কাজিপাৰা গাঁওৰ লোকপৰিবেশ্য কলা | ৩৯-৪১ |
| ৩.২ | গীত-মাত নৃত্যকলাৰ পৰিচয় | ৪২-৪৮ |
| ৩.৩ | সামাজিক ভূমিকা | ৪৯-৫১ |
| ৩.৪ | বিশ্বায়নৰ প্ৰভাৱ | ৫২-৫৪ |
| ৪.০ | পৰিসমাপ্তি বা নিজা মন্তব্য | ৫৫-৫৬ |
| ৫.০ | গ্ৰন্থপঞ্জী | |
| ৬.০ | চিত্ৰ সংযোজন | |

## ০.০ অৱতৰণিকা :

নলবাৰী জিলাৰ গাঁওসমূহত বিশেষকৈ বিভিন্ন সময়ত ভিন্ন জাতি, ধৰ্ম, বৰ্ণ আৰু সংস্কৃতিৰ লোকে নতুন নতুন বিশ্বাস বা ধৰ্মৰ সৃষ্টি কৰা দেখা গৈছিল। এই ক্ষেত্ৰত কাজিপাৰা গাঁৱৰ ধাৰ্মিক অনুষ্ঠান হিচাপে তেৰকুৰি দহ বছৰীয়া বাসুদেৱ মানৰ ঐতিহ্য উল্লেখনীয়।

অতীতৰ অসমত গুৰুত্বপূৰ্ণ সাংস্কৃতিক নিদৰ্শন হিচাপে সাক্ষী বহন কৰিছিল লোক-পৰিবেশ্য কলা বা লোকনাট্যানুষ্ঠানসমূহে। এই লোকপৰিবেশ্য কলাত নাগাৰা নাম, পুতলা-নাচ, ওজাপালি, খুলীয়া ভাওনা আদিৰ প্ৰভাৱৰ লগতে লোক গীত বা নৃত্যৰো প্ৰতিফলন কাজি-পাৰা গাঁৱত দেখা যায়। ইয়াৰ উপৰিও গাঁওখনৰ ক্ৰীড়াৰ ওপৰত থকা গুৰুত্ব ক্ষুদ্ৰ গৱেষণা কৰ্মটোৰ অৱতাৰণিকাৰ ভিতৰোৱা।

## ০.১ অধ্যয়নৰ প্ৰয়োজনীয়তা :

বৰ্তমান শিক্ষা ব্যৱস্থাত বিভিন্ন পাঠ্যক্ৰম সংযোজন কৰা হয়। তাৰ ভিতৰত গৱেষণা পদ্ধতিটোকো এটি গুৰুত্বপূৰ্ণ দিশ বুলি গণ্য কৰা হৈছে। এই গৱেষণাৰ জৰিয়তে কোনো এটা বিষয়বস্তুৰ পুংখানুপুংখ আলোচনা কৰা হয়। যাৰ জৰিয়তে বিষয়বস্তুৰ কোনো এটা দিশ পোহৰলৈ আহে। সেই হিচাপে আমাৰ গৱেষণাৰ বিষয় নলবাৰী জিলাৰ অন্তৰ্গত কাজিপাৰা গাঁও। এই গাঁওখনিৰ সামগ্ৰিক দিশ সম্পৰ্কে আমাৰ এই ক্ষুদ্ৰ গৱেষণা পত্ৰখনিত আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব। গাঁওখনিৰ পৰিচয়মূলক অধ্যয়নৰ জৰিয়তে সেই গাঁওখনৰ জাতি, ধৰ্ম, বৰ্ণ, কলা-সংস্কৃতিৰ পৰিচয় পোৱা যাব। এই বিষয়টোৰে অধ্যয়নৰ প্ৰয়োজনীয়তা অধিক। কাৰণ এই ক্ষুদ্ৰ গৱেষণা পত্ৰৰ জৰিয়তে কাজিপাৰা গাঁৱৰ তথ্য সকলোৱে পৰিচিত হ'ব তথা সকলোৱে কাজিপাৰা গাঁৱৰ ঐতিহ্য পৰম্পৰাৰ বিষয়ে জ্ঞাত হ'ব।

০.২ অধ্যয়নৰ পৰিসৰ :

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ ASM-HE-6056 কাকতৰ গৱেষণা পত্ৰৰ মোৰ বিষয়বস্তু হৈছে নলবাৰী জিলাৰ অন্তৰ্গত কাজিপাৰা গাঁওৰ ঐতিহ্য। এই গাঁওখনৰ লগত জাতি, ধৰ্ম, বৰ্ণ, কলা-সংস্কৃতিৰ প্ৰভাৱৰ কিছু আভাস পোৱা যায়। অসমৰ বিভিন্ন গাঁওত ধৰ্ম, জাতি কলা-সংস্কৃতিৰ প্ৰভাৱ লক্ষ্য কৰা যায়। ঠিক তেনেদৰে কাজিপাৰা গাঁওখনৰ ঐতিহ্য গৱেষণা কৰাৰ অন্তৰালত লোকপৰিৱেশ্য কলাৰ দিশত বিভিন্ন ইংগিত পোৱা গৈছে। গতিকে এই বিষয়টোৰ উপৰত কৰা অধ্যয়নৰ যোগেদি গাঁওখনৰ ঐতিহ্য পৰম্পৰাৰ বিশদ পৰ্য্যালোচনা কৰা হৈছে।

০.৩ বিষয়টোৰ উদ্দেশ্য :

নলবাৰী জিলাৰ অন্তৰ্গত কাজিপাৰা গাঁওখনত ধৰ্ম ক্ষেত্ৰৰ লগতে কলা-সংস্কৃতিৰ প্ৰভাৱ বিদ্যমান। গতিকে এই বিষয়টোৰ ওপৰত অধ্যয়ন কৰি ইয়াৰ বাসুদেৱ থানৰ মহত্ব, ক্ৰীড়া আৰু লোকপৰিৱেশ্য কলাৰ বিষয়ে অৱগত হৈছো। অৰ্থাৎ কাজিপাৰা গাঁওখনত ধৰ্ম, ক্ৰীড়াৰ লগতে লোকপৰিৱেশ্য কলাৰ প্ৰভাৱ কিদৰে পৰিছে আৰু ইয়াৰ ইতিবৃত্ত সম্পৰ্কে জনসাধাৰণক অৱগত কৰাৰ উদ্দেশ্যে এই বিষয়টো ক্ষুদ্ৰ অধ্যয়নৰ প্ৰকল্প হিচাপে বাছি লৈছো।

## ০.৪ অধ্যয়নৰ সমল :

কোনো এটা বিষয় বা কোনো বস্তুৰ বিষয়ে বিশদভাৱে জানিবলৈ হলে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজন হয়। গ্ৰন্থ অধ্যয়নৰ যোগেদি বিষয়বস্তুটোৰ প্ৰতি আৰু অধিক তথ্য সংগ্ৰহ কৰিব পাৰি। সেই হেতুকে মই কাজিপাৰা গাঁওখনৰ ওপৰত লিখনি প্ৰস্তুত কৰাত পণ্ডিতসকলে ৰচনা কৰি থৈ যোৱা বিভিন্ন গ্ৰন্থ বা প্ৰবন্ধ আদিক মুখ্য সমল হিচাপে গ্ৰহণ কৰিছো।

ইয়াৰ উপৰিও স্মৃতিগ্ৰন্থৰ জৰিয়তে গাঁওখনৰ কিছু তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো। ইয়াৰ লগতে ক্ষেত্ৰ অধ্যয়নৰ ঐতিহ্য সংযোগত সাধাৰণ লোক বা বয়োজ্যেষ্ঠসকলৰ পৰামৰ্শৰ জৰিয়তে পোৱা প্ৰশ্নাৱলীৰ বিভিন্নটো সমূহক গৌণসমল ৰূপে ব্যৱহাৰ কৰিছো।

এয়াই মোৰ গৱেষণাৰ ওপৰত কৰা অধ্যয়নৰ সমল।

## ০.৮ অধ্যয়নৰ পদ্ধতি :

ক্ষুদ্র গৱেষণা পত্ৰখনৰ আমাৰ বিষয়বস্তু হৈছে নলবাৰী জিলাৰ অন্তৰ্গত কাজিপাৰা গাঁওৰ ঐতিহ্যৰ অধ্যয়ন। উক্ত অধ্যয়নটিত বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক এই দুয়োটা পদ্ধতি গ্ৰহণ কৰা হৈছে। গাঁওখনৰ ঐতিহ্য, পৰম্পৰা আৰু সমসাময়িক সময়ৰ গাঁওখনৰ বিভিন্ন দিশৰ বাবে বিশ্লেষণাত্মক পদ্ধতি আৰু প্ৰস্তাৱিত কথাসমূহৰ বৈশিষ্ট্যৰ জনপ্ৰিয়তা, পৰিচয় আদিৰ ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

১০ নলবাৰী জিলাৰ পৰিচয়ঃ

নলবাৰী অসমৰ এখন প্ৰশাসনিক জিলা। গোন প্ৰথমতে নলবাৰী কামৰূপ জিলাৰ এক মহকুমা আছিল। ১৯৬৭ চনত নলবাৰী চহৰক অবিভক্ত কামৰূপ জিলাৰ মহকুমা বুলি ঘোষণা কৰা হয়। ১৯৮৫ চনৰ ১৪ আগষ্টত নলবাৰী মহকুমাক নলবাৰী জিলা হিচাপে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ৰাজেন্দ্ৰ মোহন গোস্বামী, এ.চি.এচ. আৰু বিনোদ কুমাৰ পিপাৰচেনিয়া, আই.এ.এচ. আছিল ক্ৰমে নলবাৰীৰ প্ৰথম মহকুমাধিপতি আৰু জিলা উপায়ুক্ত। এখন অসামৰিক মহকুমা ১১টা ৰাজহ চক্ৰ, ১২টা সমষ্টি উন্নয়ন ব্লক, ৯টা পুলিচ ষ্টেচন, ১২খন আঞ্চলিক আৰু ৮২৭খন প্ৰাৰ্থমিক সামৰি ১১০ খন গাওঁ পঞ্চায়তেৰে নলবাৰী জিলা গঠিত।

নলবাৰী নামটোৰ বহুত জনশ্ৰুতি আছে। আগতে এই ঠাইত খাগৰি, বিৰিণা, নল আদি বিভিন্ন উদ্ভিদেৰে ভৰপুৰ থকাৰ বাবে এই জিলাখনৰ নাম নলবাৰী হয়। নলবাৰী জিলাৰ মুঠ মাটিকালি ২২৫৭ বৰ্গ কিলোমিটাৰ। ২৬° আৰু ২৭° উত্তৰ অক্ষাংশ আৰু ৯১° আৰু ৯৭° পূৱ দ্ৰাঘিমাংশত ই অৱস্থিত।

নলবাৰী জিলাৰ চাৰিসীমা-

○ উত্তৰে বাক্সা জিলা
○ পূবে দৰং জিলা আৰু কামৰূপ জিলা
○ দক্ষিণে ব্ৰহ্মপুত্ৰ নদী
○ পশ্চিমে বৰপেটা জিলা

২০০১ চনৰ লোকপিয়লৰ তথ্য অনুযায়ী জিলাখনৰ মুঠ জনসংখ্যা ১১,৩৮,১৮৪ । ১৯৯১ চনৰ লোকপিয়লমতে জিলাখনৰ প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে নাৰী জনসংখ্যাৰ অনুপাত ৯৩৭ । ২০০১ চনৰ পিয়লমতে জিলাখনৰ শিশু জনসংখ্যা ১৪.২০ শতাংশ । জিলাখনৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ পৰিমাণ মুঠ জনসংখ্যাৰ ২৫.৪৫ শতাংশ ।

২০০১ চনৰ পিয়লমতে জিলাখনত ১১,১০,৭০৬ জন লোক গাওঁত আৰু ২৭৪৭৮ জন লোকে চহৰাঞ্চলত বসবাস কৰে। এই হিচাপমতে নলবাৰী জিলাৰ গ্ৰামাঞ্চলত বসবাস কৰা লোকৰ অনুপাত হ'ল ৯৭.৫৯ শতাংশ আৰু চহৰাঞ্চলত বাস কৰা লোকৰ অনুপাত হ'ল ২.৪১ শতাংশ ।

নলবাৰী জিলাৰ যাতায়াত ৰে'লপথ আৰু স্থলপথ দুয়োটাৰে সু-ব্যৱস্থা আছে। নলবাৰীলৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু

সহজে ৰেলেৰে আহিব পাৰি। ৩১নং ঘাই-পথৰ পৰা নলবাৰী চহৰলৈ দূৰত্ব ২ কিলো'-মিটাৰ। চহৰৰ নিকটতম ৰেল জংচন ৰঙিয়া।

বৰ্তমান প্ৰায় বাৰ লাখ জনসংখ্যাৰ স্বাস্থ্য সেৱাৰ বাবে জিলাখনত এখন দুশ বিচনাযুক্ত হাস্পতাল, ৭খন বিচনাযুক্ত, ৮খন চি এইচ চি, ৩৪ খন মিনি স্বাস্থ্য কেন্দ্ৰ, ১৪ খন ৰাজ্যিক চিকিৎসালয়, ১৯৫টা উপকেন্দ্ৰ, ৩৩টা নৱ-নিৰ্মিত উপকেন্দ্ৰ, এটা নাৰ্ছ প্ৰশিক্ষণ কেন্দ্ৰ, ৩খন চাহ বাগানৰ হাস্পতাল, এখন ৰেডক্ৰছ হাস্পতাল স্থাপন কৰা হৈছে।

কৃষিপ্ৰধান জিলাখনত কৃষকৰ সংখ্যা ১,৩৪,০৪৩ জন। কৃষি বনুৱা ৪৯,৫৫২ জন, অন্যান্য বনুৱা ৯,১২৪ জন, উদ্যোগ ক্ষেত্ৰৰ কৰ্মী ১২,৩৫০ জন, ব্যৱসায় বাণিজ্যৰ কৰ্মী ১৭,৬৫৯ জন, অন্য দিশত ২০,০১৪ জনৰে মুঠ ৬,৬২,৯৮১ জন।

ঐক্য সমন্বয়ৰ তীৰ্থ নলবাৰী চহৰত এফালে হিন্দুৰ হৰিমন্দিৰ, এফালে মুছলমানৰ মছজিদ আৰু তাৰ মাজত জৈনসকলৰ প্ৰাৰ্থনাৰ বাবে দিগাম্বৰ জৈন মন্দিৰ নিৰ্মাণ কৰা হৈছে। হৰি মন্দিৰত উত্তৰ-পূব ভাৰতখ্যাত ৰাস

মহোৎসৱত বহুৰি জিলাখনৰ সকলো লোক ভুৰি খাই পাৰে। তদুপৰি ইয়াৰ বেলশৰ দেৱালয়, বাণিলেছা মন্দিৰ, শিৱ মন্দিৰ, বাসুদেৱ দেৱালয়, দুৰ্গা মন্দিৰ, খাৰজাৰা আশ্ৰম, শনি মন্দিৰ আদি শ শ বীমীয় অনুষ্ঠানত বিভিন্ন পূজা-পাতাল, নাম-প্ৰসংগ আদি হয়।

সাংস্কৃতিক ক্ষেত্ৰত অতি আগবঢ়া নলবাৰী জিলাৰ পৰা ভ্ৰাম্যমান বৰদৈচিলা, ভাগ্যদেৱী, মাধৱদেৱ আদি থিয়েটাৰৰ জন্ম হৈছে। নলবাৰী চলচ্চিত্ৰ তাৰকা, হিদল, সত্ৰীয় নৃত্য, একাংক নাট, সংগীত শিল্পীৰ গীত-মাত, ওজাপালি, ঢুলীয়া, নাগাৰা শিল্পী, কলা-কুশলী আদি দেশে-বিদেশে সন্মান অৰ্জন কৰিছে।

## ১.২ কাজিপাৰা গাঁৱৰ পৰিচয় :

কোনো এখন গাঁৱৰ বৰ্তমানক জানিবলৈ হ'লে তাৰ অতীতক সুঁৱৰিব লাগিব। অতীতৰ সংস্কাৰ, সু ৰীতি-নীতিয়েই আমাৰ জীৱন গঢ়াত, ব্যক্তিত্ববোধত বা কৰ্মক্ষেত্ৰত কিছু সহায় কৰে। অতীতৰ সুন্দৰ স্মৃতিয়ে আমাক চৰিত্ৰ গঠনত, উন্নতিৰ পথত অহিলা যোগান ধৰে। সেয়েহে আমাৰ সমাজত পূৰ্বপুৰুষক জনাৰ বাবে বংশাৱলী বা পুৰুষনামা লিপিবদ্ধ কৰা হয়। এই ক্ষেত্ৰত আমাৰ সমাজত প্ৰাচীন আৰু কায়স্থসকল পুৰুষনামা ৰখাত সিদ্ধহস্ত।

ভাৰতৰ অসম ৰাজ্যৰ নলবাৰী জিলাৰ কাজিপাৰা এখন গাওঁ। গাওঁখন দুটা অংশত বিভক্ত। এটা অংশত কম পৰিয়ালৰ বসতি আৰু আনটো অংশত অধিক পৰিয়ালৰ বসতি দেখা যায়। গাওঁখনৰ বৰ্তমানক জানিবলৈ পূৰ্বপুৰুষসকলে বাস কৰা স্থিতিৰ বিষয়ে জনাৰ প্ৰয়োজন আছে। স্বাধীনতাৰ ৭০-৮০ বছৰ পূৰ্বতে কাজিপাৰাত প্ৰায় ১৯টা মানহে পৰিয়ালে বাস কৰিছিল। এই পৰিয়ালবোৰৰ মুৰব্বীসকল আছিল ক্ৰমে - শান্তু বৰ্মন, মধু বৰ্মন, দেৱী কাজি, ফটিক বৰ্মন, বুধিৰাম বৰ্মন,

মেঘো বৰ্মন, নৰম বৰ্মন, আইথা বৰ্মন, বাইটা বৰ্মণ, দুন্দীৰাম দত্ত, দাঙ্গা দত্ত, উপেন দত্ত আদি।

উল্লেখিত আটাইকেইটা পৰিয়ালৰেই জীৱন ধাৰণৰ মূল ভেঁটি আছিল কৃষি। সেইসময়ত বহু-বেছি পৰিমাণে আটাইৰে খেতিৰ বাবে মাটি-বাৰী আছিল। তেওঁলোকে প্ৰণালীবদ্ধ খেতিৰ মাটিখিনিত শ্ৰেণীভাগ কৰি খেতি কৰিছিল। উল্লেখ্য কথা যে বৰ্তমানৰ বিহাৰ, উত্তৰ প্ৰদেশ, অঞ্চলৰ কৃষকৰ দৰে খেতিৰ মাটি নষ্ট নকৰিছিল। সেয়েহে গাঁওত লগা লাগিকৈয়ে ঘৰ বান্ধি বাস কৰিছিল। খেৰ বাঁহ বা দুই-এটা কাঠৰ ঘৰতেই তেওঁলোকে বাস কৰিছিল। এই সহজলভ্য জীৱন প্ৰণালী তেওঁলোকৰ এটা বিশেষ তাৎপৰ্য্য আছিল। তেওঁলোকৰ ঘৰবোৰৰ মাজত বাটচ'ৰা, বাটঘৰ, চ'ৰাঘৰ, ধুঁৱিবৰা, গোহালি বুলি কিছুমান ঘৰ আছিল। বাটচ'ৰা, বাটঘৰত পথচাৰীয়ে বতাহ-বৰষুণ বা কিছুমান বিপদত আশ্ৰয় লব পাৰিছিল। ই এটা সামাজিক গুণ। চ'ৰাঘৰ অলপ সম্ভ্ৰান্ত। চ'ৰাঘৰবোৰ মেল-দৰবাৰ, আলাপ-আলোচনাত ব্যৱহাৰ হৈছিল।

গাঁওখনৰ লোকসকলে কৃষি কৰ্মৰ মাজেৰে জীৱন নিৰ্বাহ কৰিছিল যদিও কৃষিৰ উপৰিও তেওঁলোকৰ মাজত পণ্ডিত (প্ৰাইমাৰী শিক্ষক)

গাঁওবুঢ়াৰ পদবীত দুই-চাৰিজনে কাম কৰিছিল। উদাহৰণস্বৰূপে- মধু পণ্ডিত, গঙ্গা পণ্ডিত বৰ অতিথিপৰায়ণ আছিল। সেইখিনি সময়ৰ বহুতেই কলিতা উপাধিত লিখিছিল। পুৰণি মাটিৰ দলিল আদিত কলিতা উপাধিৰ প্ৰমাণ পোৱা যায়। মানুহবোৰৰ খোজা-চহা আছিল যদিও দুই-চাৰিৰ নিজস্বতা, স্বকীয় বৈশিষ্ট্য নথকা নহয়। উদাহৰণস্বৰূপে- যেতিয়া মানুহ-খিনিয়ে বিয়া বাৰুত নিজে হোম যজ্ঞ দিয়াৰ ব্যৱস্থা কৰি কলিতাৰ পৰা কৰ্মন হ'ল। তেতিয়াই খোজা চহা যেতিয়াৰ দেৱী কাজিয়ে গদা কাজিৰ সোঁৱৰণ কৰিয়ে যে পূৰ্ব ঐতিহ্য আহোম ৰজাৰ কাজি উপাধিৰ কথা ভাবিয়ে কাজি উপাধি ল'লে। সেই দেৱী কাজিৰ উত্তৰ পুৰুষখিনিয়ে বৰ্তমান কাজিপাৰাৰ কাজি উপাধিৰ লোক। আহোম ৰজাৰ কাজি উপাধিৰ কথা কওঁতে কাজিপাৰাৰ পূৰ্ব-পুৰুষৰ মাজত কাঁহ শিল্পৰ উমান পোৱা যায়। তেখেত সকল, শিল্পকলাত অতি উন্নত শিল্পী আছিল, যাৰ বাবে আহোম ৰজাই কাজি উপাধি দান কৰিছিল।

বৰ্তমান নতুনে পুৰণি মিলি হওঁতে কাজিপাৰা গাঁৱৰ দৰে উল্লেখিত অতীতৰ

বাসিন্দা, পূৰ্বপুৰুষৰ মাজতো দুই-এঘৰ দুৰৈৰ পৰা অহা লোক আছিল বুলি জনা যায়। জনা যায় তেখেতসকলে সুন্দৰভাৱে অতীতৰ কাজিপাৰাত মিলি পৰিছিল। যদিও আমাৰ পৰিয়ালবোৰ পিতৃ কেন্দ্ৰিক; ইয়াৰে দুটা মাতৃ-কেন্দ্ৰিক পৰিয়ালো আছিল।

অতীতৰ ১৯ টা পৰিয়ালৰে বংশধৰ কাজিপাৰাৰ বাসিন্দা, মৰা-খোৱাই ভালে-খোৱাই মোটামুটি বৰ্তমান ৪৫০-৫০০ টা পৰিয়াল মৰা-খোৱা বুলি উল্লেখ কৰিছোঁ যদিও এই পৰিয়ালবোৰত বহু কেইজন প্ৰতিভাশীল ব্যক্তিত্ব আছে। তেওঁলোকে নিজৰ প্ৰতিভাৰ বলত ভালদৰে পঢ়ি শুনি চৰকাৰী উচ্চ পদত নিয়োজিত হৈ কাজিপাৰাৰ লগতে নিজৰ জীৱনো উজ্বল কৰিছে। উদাহৰণস্বৰূপে- প্ৰয়াত অম্মস কাজিৰ সুযোগ্য পুত্ৰ অসীম কাজিৰ কথা ক'ব পাৰি। তেওঁ বৰ্তমান আকাশবাণী গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ উচ্চপদস্থ বিষয়া। ইয়াৰ উপৰিও প্ৰয়াত হৰেশ্বৰ বৰ্মন একাৰাকী সুদক্ষ হোমিও চিকিৎসক আছিল। বহুসংখ্যক লোক কৰ্মসূত্ৰে বৰ্তমান গুৱাহাটীৰ বাসিন্দা যদিও গুৱাহাটীত থাকি তেওঁলোকে কাজিপাৰাৰ প্ৰতি মৰম-প্ৰীতি বাদ দিয়া নাই। গুৱাহাটীৰ বাহিৰেও আন-আন

ঘৰতো দুই-চাৰিজনে বাস কৰিছে। বৰ্তমান সেইবাটোও পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনাত কৃতিত্ব অৰ্জন কৰাৰ লগতে বিভিন্ন কামত নিয়োজিত কৰি অৰ্থ উপাৰ্জন কৰিছে। ই গাঁওখনৰ বাবে এক শুভ লক্ষণ।

## ১.৩ চাৰিসীমা, মাটিকালি :

কাজিপাৰা গাঁওৰ চাৰিসীমা –

পূবে – শঙ্কৰদেৱ শিশু নিকেতন নলবাৰী তথা আৰ্ত ভৱন পথ

পশ্চিমে – মালিপাৰা তথা মালিপাৰা চেকিয়াবাৰী পথ

উত্তৰে – নলবাৰী বৰমা ৰ'ড

দক্ষিণে – দুৰ্গা মন্দিৰ, গোপাল বজাৰ আৰু লখিমী নগৰ।

মাটিকালি : কাজিপাৰা গাঁওখনৰ মুঠ মাটিকালি ২১০ বিঘা ৩ কঠা আৰু দহ লেচা।

## ১.৪ জনসংখ্যা, জাতি, বৰ্ণ, ধৰ্ম :

নলবাৰী জিলাৰ অন্তৰ্গত কাজিপাৰা গাঁওখনত বৰ্তমান মুঠ ৪৫০ - ৫০০ টা পৰিয়াল আছে। এই আটাইকেইটা পৰিয়ালৰ গড় যদি ৪ বুলি ধৰা হয় তেতিয়াহলে বৰ্তমান গাওখনৰ মুঠ জনসংখ্যা ১৮০০ - ২০০০ ৰ ভিতৰত আছে।

গাওঁখনত বিভিন্ন ধৰণৰ জাতিৰ লোকে বসবাস কৰে। ইয়াৰ ভিতৰত পূৰ্বৰ পৰা বাস কৰি অহা বৰ্মন, কলিতা, দত্ত আদিৰ লগতে বৰ্তমান আশ্ৰমত বাস কৰা কায়স্থ, ব্ৰাহ্মণ আদি উল্লেখযোগ্য।

গাওঁখনৰ লোকসকলৰ ভাষা যদিও অসমীয়া তথাপিও কিছু লোকৰ ভাষাৰ চাচ সুকীয়া। এই গাওঁৰ আটাইবোৰ লোক হিন্দু ধৰ্মৰ।

এইখন কাজিপাৰাত তেৰকুৰি দহ বছৰীয়া বাসুদেৱৰ বাৰ্ষিক সবাহ অনুষ্ঠানৰ ঐতিহ্যপূৰ্ণ গৰিমা কাজিপৰীয়াই অব্যাহত ৰাখিছে। বালিকৰিয়া গাওঁৰ দূৰ আৎগাৰ

নলবাৰী পৌৰ এলেকাৰ সীমাই স্পৰ্শ কৰি থকা অঞ্চলটোৱেই মহাপ্ৰভু বাসুদেৱৰ আশীষ ধন্য "কাজিপাৰা"। কাজিপাৰা গাঁওৰ চিৰনমস্য কিম্বদন্তী পুৰুষ সন্মানীয় গদা কাজি এই কাজিপাৰাৰে গৌৰৱ নহয় সমগ্ৰ নলবাৰী তথা অসমৰ ভক্তি পৰিমণ্ডলত খোদিত এক চিৰস্মৰণীয় নাম। বাসুদেৱ দেৱালয়ৰ বিগ্ৰহৰ আবিৰ্ভাৱৰ লগত কাজিপাৰাৰ গদা কাজিৰ নাম সংযুক্ত হৈ আছে। বালিকৰিয়া, খাৰজাৰা গাঁওৰ পূবত অৱস্থিত (বৰ্তমান লুপ্তপ্ৰায়) 'বৰদল' বিলত মাছমৰীয়াৰ জালত লগা মহাপ্ৰভু বাসুদেৱৰ বিগ্ৰহ গদা কাজিয়ে বিলৰ বুকুৰ পৰা উদ্ধাৰ কৰি ভক্তিভাৱেৰে নিজ গৃহলৈ আনি কাজিপৰীয়া গাঁওবাসীৰ সহযোগত নাম কীৰ্ত্তন হোম যজ্ঞ কৰি এই বিগ্ৰহ প্ৰতিষ্ঠা কৰিছিল। কালক্ৰমত বালিকৰিয়া গাঁওৰ পশ্চিম প্ৰান্তত বৰ্তমানৰ স্থানত নিৰ্মিত মন্দিৰৰ বেদীত স্থাপন কৰা হৈছিল। পৰৱৰ্তী সময়ত ৰাজ পৃষ্ঠপোষকতাৰে এই দেৱালয়লৈ দেৱোত্তৰ ভূমি দান কৰি এই বাসুদেৱ দেৱালয়ক সম্পূৰ্ণ ৰূপত প্ৰতিষ্ঠা কৰিছিল। নলবাৰীৰ উপৰিও ভিন্ন জিলাৰ বৈষ্ণৱ ভক্ত ৰাইজে ভক্তিভাৱে আহি

বাসুদেৱ দৰ্শনৰ লগতে ভক্তিভাৱেৰে প্ৰাৰ্থনা জনায়।

বাসুদেৱ বিগ্ৰহ আবিৰ্ভাৱ কালৰে পৰা বৰ্তমান সময়লৈকে তেৰকুৰি দুই বছৰে প্ৰভু বাসুদেৱৰ পূজা-অৰ্চনা, নাম-প্ৰসংগ আদি নানা সাংস্কৃতিক অনুষ্ঠানেৰে কাজিপাৰীয়াই অনুষ্ঠিত কৰি আহিছে। এই সুদীৰ্ঘ পৰিক্ৰমাৰে ধৰ্মীয় অনুষ্ঠানটি উদ্‌যাপন কৰি ঐতিহ্য পৰম্পৰা অব্যাহত ৰখাৰ বাবে ভক্তিপ্ৰাণ কাজিপৰীয়া সকল ধন্যবাদৰ পাত্ৰ হোৱাৰ লগতে গৌৰৱৰ অধিকাৰী।

অতীজৰ কৃষি নিৰ্ভৰশীল তেৰকুৰি দুই বছৰীয়া পূৰ্ব পুৰুষৰ শ্ৰদ্ধাস্মৰণেৰে কাজিপৰীয়া সকল গৌৰৱেৰে গৌৰবান্বিত। সেই কাজিপাৰাৰ বৰেণ্যসকল শতিকাৰ পৰা শতিকালৈ, দশকৰ পৰা দশকলৈ, যুগৰ পৰা যুগলৈ পৰৱৰ্ত্তী বংশধৰসকল এই বাসুদেৱ বাৰ্ষিক সভা অনুষ্ঠানৰ গৰিমাপূৰ্ণ পৰম্পৰাত দিশলৈ আগুৱাই নিছে।

## ১.৫ গাঁওখনৰ ক্ৰীড়া :

নলবাৰীৰ ক্ৰীড়া আৰু গাৰ্ডেন খেলপথাৰ এটা মুদ্ৰাৰ ইপিঠি- সিপিঠি। ইয়াৰ লগত কাজিপাৰাকো সাঙুৰি লোৱা হয় কাৰণ কাজিপাৰাখন, ইয়াৰ সমীপৱৰ্তী অঞ্চল। প্ৰায় ১৯৭০ ইং চন মানৰ পৰা এজন কাজিপাৰীয়া তথা নলবাৰীয়া হিচাপে গাৰ্ডেন খেলপথাৰৰ লগত আজিলৈ ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে শ্ৰী হেমেন্দ্ৰ মহন্ত।

আহানিৰে পৰা এই গাৰ্ডেন খেল পথাৰেই হল নলবাৰী জিলাৰ ক্ৰীড়াৰ কেন্দ্ৰস্থল। আসাম মুলুকত নলবাৰীৰ পৰা ফুটবল, ভলীবল, ক্ৰিকেট, এথলেটিক্সৰ যিমান খেলুৱৈৰ সৃষ্টি হৈছে, ইয়াৰ শতকৰা ৯০ ভাগেই গাৰ্ডেন খেল-পথাৰৰ ধূলি- বালি দুৰিৰ বৰকা। ফুটবল খেলুৱৈ হেমেন্দ্ৰ মহন্তয়ো এই গাৰ্ডেন খেলপথাৰতে পবিত্ৰ দত্তৰ পৰা প্ৰশিক্ষণ লৈছিল। এইজনা খেলুৱৈৰ ঘৰ কাজিপাৰাত। সেই সময়ত মহন্তই লগ পোৱা খেলুৱৈ সকলৰ তৰকা খেলুৱৈ, প্ৰয়াত চফিউৰ ৰহমান, প্ৰয়াত পংকজ মহন্ত, প্ৰয়াত মদন কাজি, সূৰ্যশীল আদি। ইয়াৰ ভিতৰত প্ৰয়াত মদন কাজি.,

প্ৰয়াত পংকজ মহন্ত, নবীন বৰ্মন কাজি-পাৰাৰ সন্তান। সত্তৰ দশকতে কাজিপাৰাৰ সুদক্ষ খেলুৱৈ প্ৰয়াত পংকজ মহন্তই অসম ফুটবল দলত স্থান পাইছিল। শ্ৰদ্ধেয় নবীন বৰ্মনদেৱে প্ৰায় ৭০ দশকত প্ৰাৰম্ভনিতে আন্ত: গুৱাহাটী বিশ্ববিদ্যালয় ফুটবল খেল প্ৰতিযোগিতাত নলবাৰী কলেজ দলত হৈ খেলি-ছিল। সেই সময়ত অবিভক্ত অসম, অৰ্থাৎ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মণিপুৰ, নাগালেণ্ড, শ্বিলং আদিও আছিল। পৰৱৰ্তী সময়ত প্ৰয়াত নৃপেন, হেমেন্দ্ৰ মহন্ত, প্ৰয়াত দ্বীজেন বৰ্মন, প্ৰয়াত প্ৰদীপ বৰ্মন (বাবুল), সতীন বৰ্মন, আদিয়েও পৰ্টন খেলপথাৰত বিভিন্ন ধৰণৰ উপাৰিত কাজিপাৰাৰ নাম উজ-লাই তুলিছিল।

অসমৰ ভলীবলৰ মানচিত্ৰত নলবাৰীৰ অৱদান অসীম। পৰ্টন খেলপথাৰৰ পৰাই সৃষ্ট বহুত খেলুৱৈয়ে নলবাৰী তথা অসমৰ মহিমামণ্ডিত কৰি ৰাখিছে। এটা সময়ত পৰ্টন খেলপথাৰৰ নিকটৱৰ্তী অঞ্চল কাজিপাৰা, গোপালবজাৰ, বালিকাৰিয়া অঞ্চলৰ পৰা অহা

খেলুৱৈয়ে নলবাৰী তথা অসম দলক প্ৰতিনিধিত্ব কৰিছিল। জগদীশ দত্ত, বিনোদ চৌধুৰী, কবি বৰ্মন, কৰুণা বৰ্মন আদি সুনাম কঢ়িয়াই অনা খেলুৱৈয়। মহিলা ভলীবল খেলুৱৈৰ ভিতৰত কাজিপাৰাৰ শ্ৰীমতী জয়া বৰ্মনৰ নাম উল্লেখ কৰিব পাৰি। আদ্যন্ত ক্ৰীড়ানুৰাগী জয়া বৰ্মন সুদক্ষ মহিলা ভলীবল আৰু কবাডী খেলুৱৈ।

ক্ৰিকেটৰ ক্ষেত্ৰত নলবাৰীৰ স্থান তুলনামূলক ভাবে সন্তোষজনক নহয়। অৱশ্যে ইয়াৰ বাবে আন্তঃগাঁথনি আৰু প্ৰশিক্ষকৰ অভাৱে মূল কাৰণ। ব্যক্তিগত প্ৰতিভাৰ অভাৱ নাথাকিলেও অনুশীলন আৰু উপযুক্ত প্ৰশিক্ষণ নহ'লে ক্ৰিকেটৰ জগতত সফলতম হ'ব নোৱাৰি, মধ্যবিত্ত বা সাধাৰণ শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে অৰ্থৰ অভাৱৰ বাবে ক্ৰিকেট খেলিবলৈ টান পাইছিল। কিন্তু গাৰ্ডেন খেলপথাৰখন ওচৰতে থকা বাবে, হেমেন্দ্ৰ মহন্ত, ডাঃ বিপুল মহন্ত, কুবেৰ বৰ্মন, দেৱজিৎ কাজি আদি খেলুৱৈয়ে গাৰ্ডেন খেলপথাৰত নিয়মীয়াকৈ খেল খেলিছিল। কাজিপাৰাৰ বুকুতে জন্ম হোৱা "অংকুৰ" ক্ৰিকেট গোষ্ঠী অসমৰ আগশাৰীৰ ক্ৰিকেট দল আছিল। এই কাজিপাৰাকে

কৃতি সন্তান প্ৰয়াত দ্বীজেন্দ্ৰ তালুকদাৰৰ নামত সীমিত অভাৰৰ ক্ৰিকেট প্ৰতিযোগিতা এখন নলবাৰী "ঘাট সমন্বয় গোষ্ঠী" য়ে অনুষ্ঠিত কৰিছিল য'ত অসমৰ বিভিন্ন আগ-শাৰীৰ ক্ৰিকেট দলে অংশগ্ৰহণ কৰিছিল।

কাবাডী, হেণ্ডবল খেলত নলবাৰীৰ কাজিপাৰা অঞ্চল আছিল বিশেষ পাৰদৰ্শিতা দেখুৱাব পৰা বিশিষ্ট অঞ্চল। ভাল লগা কথা যে, যিটো সময়ত মহিলা খেলুৱৈৰ অভাৱ আছিল, সেই সময়ত কাজিপাৰাৰ কাবাডী মহিলা খেলুৱৈ শ্ৰী জয়া বৰ্মন প্ৰথম খেল-পথাৰলৈ ওলাই আহিছিল। তাৰ পৰৱৰ্তী সময়ত শ্ৰী ববিতা বৰ্মন এগৰাকী কৃতি কাবাডী খেলুৱৈ আছিল; যিয়ে কেবাবাৰো অসম দলক প্ৰতিনিধিত্ব কৰিছিল। পুৰুষৰ কাবাডী খেলুৱৈ শ্ৰী প্ৰবীৰ বৰ্মন, বিশেষভাৱে উল্লে-খযোগ্য আছিল। হেণ্ডবলৰ ক্ষেত্ৰত প্ৰয়াত প্ৰদীপ কুমাৰ বৰ্মন, শ্ৰী পদ্মভূষণ বৰ্মন আদি খেলুৱৈ অসম দলক (গ্ৰাম্য) প্ৰতিনিধিত্ব কৰা খেলুৱৈ আছিল।

খেল পৰিচালক হিচাপে ফুটবল আৰু ক্ৰিকেটত যথেষ্ট সংখ্যক সু-পৰিচালক কাজিপাৰাত আছিল। ইয়াত পৰিচালকসকল বাট

দেখুৱাইছিল, প্ৰয়াত হীৰেন দেৱ বৰ্মনদেৱ। ৭০ ৰ ৮০ ৰ দশকত বৰ্মনদেৱে নলবাৰী গৰ্ডন খেলপথাৰ তথা অন্য খেল পথাৰতো নিয়মীয়া খেলাৰী আছিল। তাৰ পৰৱৰ্তী সময়ত শ্ৰী প্ৰফুল্ল তালুকদাৰ, প্ৰয়াত প্ৰদীপ কুমাৰ বৰ্মন (বাবুল) ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত খেলাৰী হিচাপে সুনাম অৰ্জন কৰিছিল।

## ২.১ লোকপৰিৱেশ্য কলা :

ইংৰাজী 'Folk culture' পদটোক বুজাবৰ বাবে অসমীয়া ভাষাত 'লোক সংস্কৃতি' পদটো ব্যৱহাৰ কৰা হয়। লোক বিদ্যা বা লোকসংস্কৃতি আৰু লোক জীৱনৰ চতুৰ্থ অংশস্বৰূপে পৰিৱেশ্য কলাক আঙুলিয়াব পাৰি। পৰিৱেশ্য কলা এনে এটা বিষয়, যিয়ে সকলোকে আকৰ্ষণ কৰি আহিছে। পৰম্পৰাগত সংগীত, নৃত্য আৰু নাট লোক পৰিৱেশ্য কলাৰ ভিতৰত ধৰিব পাৰি। লোক নাটৰ প্ৰধান বিশেষত্ব অভিনয়, যৌথ-নৃত্য-গীত, অংশ বিন্যস্ত গতি আদি। লোক পৰিৱেশ্য কলা আৰু শাস্ত্ৰীয় পৰিৱেশ্য কলা-ৰীতিৰ মাজত পাৰস্পৰিক অন্যান্য ক্ৰিয়াও লক্ষ্য কৰা যায়। সাম্প্ৰতিক কালত আঞ্চলিক কৃষক আৰু জনজাতীয় নৃত্য-গীত আৰু সংগীত, নগৰীয়া দৰ্শকৰ বাবে আকৰ্ষণীয় হোৱাও দেখা গৈছে। ইয়াৰ পৰিগতি স্বৰূপে দৃশ্য-শ্ৰব্য-কলা ৰীতি প্ৰদৰ্শন কৰোতাসকলে বাস্তৱ-বীৰ্য আৰু সূক্ষ্ম কৌশল আৰু ব্যৱহাৰ বৈচিত্ৰ্য আদি প্ৰয়োগ

কৰিছে। ইয়াৰ উদাহৰণস্বৰূপে- পুতলা নাচ, খুলীয়া ভাওৰীয়া, অংকীয়া ভাওনা, কুশান গান, ভোৰী-গান, ওজাপালি আদিলৈ আঙুলিয়াব পাৰি। এই জাতীয় পৰিৱেশ্য কলাৰ জৰিয়তে শিল্পীজনৰ সংস্কৃতিয়ে লোক সংস্কৃতিৰ ভঁৰালক ক্ৰমশঃ পৰিশ্ৰান্ত প্ৰদৰ্শনতো প্ৰকাশ নকৰাকৈ থকা নাই।

## ২.২ নলবাৰী অঞ্চলৰ লোক পৰিৱেশ্য কলা :

লোক সংস্কৃতিৰ প্ৰধান বিভাগ চাৰিটাৰ ভিতৰত লোক পৰিৱেশ্য কলাৰ এক নিৰ্দিষ্ট স্থান আছে। লোক পৰিৱেশ্য কলা লোকসমূহ সমাজ জীৱনৰ সৃষ্টি। যেয়েহে ই লোকসমাজৰ স্বৰূপ, সৌন্দৰ্যচেতনা তথা কলাত্মক অভিব্যক্তিৰো বাহক। অতি প্ৰাচীন কালৰে পৰা কামৰূপত লোক পৰিৱেশ্য কলাই বিশিষ্ট সমাদৰ লাভ কৰি আহিছে। প্ৰাচীন প্ৰাগ্‌জ্যোতিষ, কামৰূপ ৰাজ্যৰ অধীশ্বৰসকল যেনে - মহেন্দ্ৰ বৰ্মা, ভাস্কৰ বৰ্মা, বনমাল আদিয়ে নৃত্য-গীত আৰু অভিনয়ৰ পৃষ্ঠপোষকতা কৰিছিল। ইয়াৰ উপৰিও জনসাধাৰণৰ গভীৰ ধৰ্মীয়চেতনাই লোক পৰিৱেশ্য কলাক এক বিশেষ পৰ্যায়লৈ উন্নীত কৰিছিল। প্ৰাচীন সভ্যতা - সংস্কৃতিৰ ৰঙ্গভূমি স্বৰূপ কামৰূপ ৰাজ্যত খ্ৰী: পূ: প্ৰথম শতিকাৰ পূৰ্বেই এক সাংস্কৃতিক পৰিৱেশে জীপ লৈ উঠিছিল। পুৰণি পুথি-পাজি, তাম্ৰপত্ৰ, শিলালেখ আদিৰ উপৰিও বিচিত্ৰ ভংগীমা, বিশিষ্ট নৰ-নাৰীৰ মূৰ্তি সমূহেই আসামৰ

লোক- পৰিবেশ্য কলাৰ সু-প্ৰাচীন ইতিহাস উন্মোচন কৰে।

প্ৰাচীন কালৰে পৰা কামৰূপ তথা অসমত প্ৰচলিত ওজাপালি ঢুলীয়াৰ ভাওঁ, পুতলা নাচ, ধুলীয়া ভাওনা আদি অনুষ্ঠানক পূৰ্ণ লোকনাট্যানুষ্ঠান হিচাপে অভিহিত কৰিব পাৰি। সেইদৰে পাচতি, দধি মথন, নাম ভাওনা, চড়ক পূজাৰ গীত আদিক নাট্য সমল বিশিষ্ট অৰ্দ্ধনাটকীয় অনুষ্ঠান বুলিব পাৰি। প্ৰাচীন কামৰূপত প্ৰচলিত উল্লিখিত লোক পৰিবেশ্য কলাসমূহৰ ভিতৰত অন্যতম জনবিনোদন তথা আধ্যাত্মিক গুণ-বিশিষ্ট লোক নাট্যানুষ্ঠান হিচাপে নাগাৰা নামে বিশেষ স্থান অধিকাৰ কৰি আছিছে।

নাগাৰা নাম এবিধ অৰ্দ্ধনাটকীয় লোক পৰিবেশ্য কলা। ই কামৰূপ, দৰং আৰু নলবাৰী অঞ্চলৰ এটি বিশেষ জনপ্ৰিয় অনুষ্ঠান। বিংশ শতিকাৰ আদি ভাগলৈকে এই কলাবিধ কামৰূপ আৰু দৰং জিলাতহে বিশেষভাৱে আবদ্ধ হৈ আছিল। পৰৱৰ্তী কালত নলবাৰী, নগাওঁ আদি জিলা সমূহলৈ ই বিস্তৃত হৈ আকৰ্ষণীয়

লোক নাট্যানুষ্ঠান হিচাপে সমাদৰ লাভ কৰি-
বলৈ সক্ষম হয়। প্ৰাচীন অসমৰ বৈষ্ণৱ
পুথি পাজি, চৰিত কথা আদিত কীৰ্তন,
খিয়া নাম, চৌতালি নাম, পাল নাম আদি
নাম অনুষ্ঠানৰ উল্লেখ পোৱা যায়। কিন্তু
নাগাৰা নামৰ উল্লেখ পোৱা নাযায়। পঞ্চদশ
শোড়শ শতিকামানত নৱবৈষ্ণৱ প্ৰতিষ্ঠাতা মহা-
পুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দিনতে
পাল নাম, খিয়ানাম আদিৰ উদ্ভৱ হোৱাৰ
নিদৰ্শন আছে। বৈষ্ণৱ প্ৰভাৱৰ ফলস্বৰূপে
নাম সংস্কৃতি জনপ্ৰিয় হৈ উঠিছিল আৰু ঢোলৰ
ক্ষুদ্ৰ সংস্কৰণ ৰূপে 'নাগাৰা' বা 'ডগৰ' আৰু
'কুৰকুৰী' বা 'খেৰ' নামেৰে বাদ্যযন্ত্ৰ দুটি গঢ়ি
উলিওৱা হৈছিল। পিছলৈ নাম অনুষ্ঠানত দুয়ো-
বিধ বাদ্য সংযুক্ত কৰি প্ৰসংগীয়া নাম সংস্কৃ-
তিৰ পৰা পৃথক কৰি অনাত সম্ভৱত 'নাগাৰা'
নাম সংস্কৃতিৰ জন্ম হয়।

নলবাৰী জিলাৰ জনপ্ৰিয় পাঠক
গণেশ্বৰ কলিতাৰ পৰা পোৱা তথ্য অনুসৰি
পঞ্চদশ শতিকাৰ দশকত নলবাৰী অঞ্চলত প্ৰচলি-
ত নাগাৰা নামক 'দৰঙীয়া নাম' বুলি জনা
গৈছিল।

নাগাৰা নামৰ একোটা দলত ২৫/৩০ জনকৈ পালি আছিল। একোটা নামত ৮ বা ১০ আখৰীৰ দিহা নাম আৰু পদ আছিল। ৭/৮ যোৰ ভোৰতাল, ডাঙৰ নাগাৰাৰ গুৰু-গম্ভীৰ ধ্বনি দলীয় হাত চাপৰি, একক আৰু দলীয়ভাৱে প্ৰদৰ্শন কৰা নমুনাৰ নৃত্য ভংগীমা আৰু ভক্তিভাৱেৰে জনসাধাৰণক আকৰ্ষণ কৰিব পাৰিছিল। ওজা বা পাঠক এগৰাকীয়ে মাজত থিয় হৈ নাম লগাই দিছিল। ৬/৮ গৰাকী পালিয়ে থিয় হৈ নানা বিধ নৃত্যৰ ঢেউ দি-ছিল।

বিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত নামনি অসমত প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰা যাত্ৰা দলসমূহৰ দৰে সাম্প্ৰতিক কালত নলবাৰীৰ নাগাৰা নাম কৃষ্টিয়ে অধিক সমা-দৰ লাভ কৰিছে।

লোক পৰিবেশ্য কলাত নলবাৰীৰ নাগাৰা নাম অনুষ্ঠানটিয়ে বিশেষ জনপ্ৰিয়তা আৰু বিকাশ বিস্তৃতি লাভ কৰাৰ লগতে ওজাপালি লোকনাট্যানুষ্ঠানেও বিশেষ সমাদৰ লাভ কৰে। ওজাপালি অসমৰ এক অৰ্দ্ধ নাটকীয় পৰিবেশ্য কলা। সৰ্বভাৰতীয় কথকতা

পৰম্পৰাৰ প্ৰত্যক্ষ বাহক-বাহক ওজাপালি প্ৰাচীন কালৰে পৰা অসমত এক জনপ্ৰিয় কলা হিচাপে প্ৰচলিত হৈ আছে। গুৰু-মাধৱী শৈলীৰ চৰিত্ৰৰ লগত ভালেখিনি খাপ খোৱা ওজাপালি পৰিৱেশ্য কলা ভাৰতীয় মাৰ্গী সংগীত পৰম্পৰাৰ পৰা জন্ম। ওজাপালি অনুষ্ঠানৰ জন্মৰ যোগে ভালেমান দৈৱিক মতবাদ সম্পৃক্ত হৈ আছে। তৃতীয় পাণ্ডৱ অৰ্জুনে দেৱতা সকলৰ শত্ৰু অসুৰসকলক যুদ্ধত পৰাস্ত কৰাত অৰ্জুনৰ সন্মানৰ অৰ্থে দেৱতা সকলে উৰ্বশীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন কৰাইছিল। নৃত্যৰতা উৰ্বশীয়ে নৃত্যৰ অন্তত অৰ্জুনক প্ৰেম নিবেদন কৰে। ইন্দ্ৰই উৰ্বশীক বিয়া কৰাবলৈ অনুৰোধ কৰে যদিও অৰ্জুনে সেই অনুৰোধ ৰক্ষা নকৰিলে। ক্ৰোধান্বিতা উৰ্বশীয়ে অৰ্জুনক এবছৰৰ বাবে নপুংসক হবলৈ অভিশাপ দিয়ে। এই গান্ধৰ্ব বিদ্যাই ওজাপালি কলা।

ওজাপালি অনুষ্ঠানক বিষয়বস্তুৰ ফালৰ পৰা দুটা ভাগত ভগাব পাৰি। সেইকেইটা হ'ল - ১/ মহাকাব্য আশ্ৰয়ী ওজাপালি আৰু ২/ মহাকাব্য অনাশ্ৰয়ী

ওজাপালি। মহাকাব্য আশ্ৰয়ী ওজাপালিক আকৌ সাঁতোটা ভাগত ভগাব পাৰি। সেইকেইটা হ'ল – ১/ বিয়াহৰ ওজাপালি

২/ ৰামায়ণ গোৱা বা ৰামায়ণ ওজাপালি। ৩/ ভাইৰা বা ভাৰৈৰা ওজাপালি

৪/ সত্ৰীয়া ওজাপালি

৫/ পাঞ্চালী ওজাপালি

৬/ দুলড়ী ওজাপালি

৭/ দুৰ্বাৰী ওজাপালি

মহাকাব্য অনাশ্ৰয়ী ওজাপালিক পাঁচটা ভাগত ভগাব পাৰি – ১/ সুকনানি বা সুকনান্নি বা ৰং গোৱা ওজাপালি।

২/ বিষহৰী নাম গোৱা ওজাপালি

৩/ মাৰৈ নাম গোৱা ওজাপালি। ৪/ পদ্মা বা পদ্মা পুৰাণৰ নাম গোৱা ওজাপালি।

৫/ তুকুৰীয়া ওজাপালি।

ওজাপালি অনুষ্ঠানৰ পালি দুইবিধ- ১/ দাইনা পালি আৰু ২/ সাধাৰণ পালি। পৰিৱেশন শৈলীত নৃত্য-গীতৰ দ্বাৰা দাইনা পালিজনে দিহা, ৰাগ আদি লগাই দিয়ে

আৰু সাধাৰণ পালিসকলে সহযোগ কৰে। দাইনা পালি আৰু অন্য পালিৰ দ্বাৰা ওজাই পৰিবেশন কৰা গীতবোৰ কাব্যত পদ্যত ৰসালভাবে অথবা অভিনয়ভংগীৰে দর্শকক বুজাই দিয়ে। ঐশ্বৰ্য্য বীৰ্য্য দিশৰ লগত সংপৃক্ত হোৱা বাবে ওজাপালিসকলে শুভ্ৰ পোছাক পিন্ধে। পোচাক পৰিচ্ছদ হ'ল ওজাপালিৰ এটা লক্ষণীয় দিশ। সুকনানি ওজাপালিত ওজাই বগা ধুতি, গাত বগা চেলেং চাদৰ আৰু কপালত বগা চন্দনৰ ফোঁট লয়। ওজাজনে মূৰত ডিম্বাকৃতিৰ এটা পাগুৰিও পিন্ধে। কিন্তু ৰামায়ণ গোৱা ওজাৰ সাজ-পাৰ কিছু পৃথক হয়। ৰামায়ণ বা মতা গোৱা ওজাই সুকনা-নি ওজাৰ দৰে সাপকন চোলা পিন্ধে যদিও কপালত দীঘল ৰঙা-হালধীয়া বৰণৰ গামোচা বান্ধে। এনে ওজাই ভৰিত নূপুৰ, হাতত অপৰ গামখাৰু আৰু কপালত চন্দনৰ ফোঁট লয়। আনহাতে এই দুয়োবিধ ওজাপালিতে পালিৰ পাগুৰিটো ময়ূৰচৰাইৰ পাখীসদৃশ একেই হয়। পূৰণিকালত সুকনানি ওজাজনে তিৰোতাৰ নিচিনাকৈ দীঘল চুলি ৰাখি খোপা বান্ধি-ছিল। এই ওজাপালিত পালিয়ে এখন হাতেৰে বুঢ়া আঙুলিৰ ৰঙা ৰচীৰে মেৰিয়াই ৰাখিবা

বজায়। আনহাতে সত্য লোৱা ওজাই খুটিতাল বজায়। এনেদৰেই ওজাপালিত ওজাৰ লগতে পালিসকলে সাজ-পাৰ পৰিধান কৰি গীতবোৰ ৰসালভাবে পৰিৱেশন কৰি দৰ্শকক বুজাই দিয়ে।

উক্ত ওজাপালিৰ প্ৰভাৱ নলবাৰী জিলাটো নপৰাকৈ থকা নাছিল। অতি পুৰণি কালৰ পৰাই অবিভক্ত কামৰূপ জিলা ওজাপালিৰ বাবে বিখ্যাত। কামৰূপৰ বিশেষকৈ নলবাৰী জিলাৰ বৰভাগ অঞ্চলত আজিও ওজাপালিয়ে অসমীয়া জাতীয় জীৱনৰ বোঁৱতী সুঁতিটো অব্যাহত ভাৱে অক্ষুণ্ণ ৰাখিছে। বৰভাগৰ ওজাপালিয়ে সমগ্ৰ অসমতে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ওজাসকলৰ ভিতৰত প্ৰথমতে নাম লব লাগিব বীবজো (বৈবজো-কলিতা) ওজাৰ। বৈবজো ওজাই আৰম্ভণিতে ৰামায়ণী গীত পদ লোৱা ওজাৰূপে ওজাপালি প্ৰদৰ্শন কৰা বুলি জনা যায়। অৱশ্যে পিছত সুকনানি ওজাৰূপে আত্মপ্ৰকাশ কৰিছিল। বীবজো ওজাৰ পিছৰ আন দুগৰাকী বিখ্যাত ওজা হ'ল— চক্ৰধৰ ওজা আৰু মামোৰা ওজা। বীবজো ওজাৰ পুত্ৰ আছিল চক্ৰধৰ ওজা। এওঁৰ দাইনাপালি আছিল কমাৰকুছিৰ ৰাজি

দেৰগা আৰু ৰাইমাধীৰ প্ৰেমোৰ্বৰ কলিতা। নলবাৰীৰে কমাৰকুছিৰ দেৱেশ ওজা আছে বৰকুলহাটীৰ হেলা (হলিৰাম কলিতা) ওজাক নজনা লোক জিলাখনত নাই। ইয়াৰ উপৰিও আঠঘৰীয়া, মাৰ্কাপাৰাতো ওজাপালি আছিল বুলি মুখে মুখে জনা যায়। আন দুগৰাকী ওজা ডিংডিঙিৰ কান্দুধা আৰু মিৰ্কী ওজাৰ নাম চিৰ স্মৰণীয়। আৰঙ্গমৌ গাঁৱৰ হাস্যৰাম বেজবৰুৱাও এজন লেখতলবলগীয়া ওজা আছিল। এসময়ত উলাবৰী গাওঁ আইমন গোৱা ওজাপালিৰ বাবেও প্ৰখ্যাত আছিল।

লোকপৰিৱেশ্য কলাত যেনেদৰে ওজাপালিৰ বিশেষত্ব আছে ঠিক তেনেদৰে লোকনাট্যানুষ্ঠানত ঢুলীয়াৰো এক বিশেষ মহত্ব আছে। অসমত প্ৰাচীন কালৰ পৰাই ঢুলীয়া নৃত্য থকাৰ প্ৰমাণ পোৱা যায়। ষষ্ঠ শতিকাৰ ৰজা ভূতি বৰ্মাৰ সময়ৰে ঢোল-তাল বজোৱা মানুহৰ শিলামূৰ্তি পোৱা গৈছে। কামৰূপ অন্ত্ৰ মন্ত্ৰৰ দেশ। তন্ত্ৰ সিদ্ধিৰ স্থান কামৰূপত ঢোল-তালৰ ব্যৱহাৰ অতি প্ৰাচীন আৰু সামাজিক তথা ধৰ্মীয় জীৱনত ইয়াৰ গুৰুত্ব অপৰিসীম আছিল বুলি অনুমান

কৰা হৈছে। নামনি অসমত ঢুলীয়া ভাৱৰী-য়াৰ এক ঐতিহ্যপূৰ্ণ পৰম্পৰা আছে। ঢুলীয়াৰ ক্ৰীড়া-কৌতুক, গীত-মাত অভিনয় আদিয়ে অসমীয়া গ্ৰাম্য সমাজ জীৱনত মনোৰঞ্জনৰ খোৰাক যোগাই আহিছে। কামৰূপ আৰু দৰঙৰ ঢুলীয়াৰ ভাও অসমীয়াৰ আদৰৰ বস্তু। কামৰূপীয়া ঢুলীয়াৰ 'কুন্ডি' বা 'খোৰ' (ওলোটা মৰ) লোক সমাজ জীৱনত অতি প্ৰিয়। কামৰূপ আৰু দৰঙৰ ঢুলীয়া সংস্কৃতি কেতিয়া সময়ৰে পৰা আৰম্ভ হৈছিল সঠিককৈ ক'ব পৰা নাযায়। প্ৰাচীন কামৰূপৰ ঢুলীয়া সংস্কৃতিৰ পৃষ্ঠভূমি আছিল উত্তৰ কামৰূপৰ নলবাৰী অঞ্চলৰ চান্দকুচি, অগ্নি-শালাৰ বৰ-মাৰী, কেঁহাটী, বৰ্নিবাৰী, জাপাজে, বননাওঁ জোৰান্দী, বতিয়ামাৰী, দিহিনা, কুলহাটী আদি অঞ্চল। চান্দকুচীয়া বুঢ়ো-ভাৱৰীয়া, অগ্নিশালাৰ গোপী ভাৱৰীয়া, কেঁহাটীৰ মোহন ভাৱৰীয়া, বতিয়ামাৰীৰ ৰতিৰাম দাস, প্ৰভৃতি লোক-শিল্পীসকলে ঢুলীয়া লোকনাট্যৰ এই বাচকৰনীয়া পৰম্পৰা ৰক্ষা কৰি জনসমাজক মনোৰঞ্জনৰ খোৰাক

যোগাইছিল। তুলনাত্মক দৃষ্টিত কামৰূপীয়া ঢুলীয়া দলবোৰৰ ভিতৰত চান্দকুচীৰ ঢুলীয়া বেছি পুৰণি।

কামৰূপীয়া ঢুলীয়াসমূহক সাধাৰণতে তিনিটা ভাগত ভাগ কৰা হয়। বিয়াগোৱা ঢুলীয়া, সভাগোৱা ঢুলীয়া, আৰু পূজাগোৱা ঢুলীয়া। ঢুলীয়া দলসমূহে সাধাৰণতে দুটা ডাঙৰ আৰু পাঁচ-ছটা সৰু আকাৰৰ ঢোল ব্যৱহাৰ কৰে। মূল ঢুলীয়া দুজনে ঘাই ঢোল বজায় আৰু বেকা ঢুলীয়াই সৰু ঢোল বজায়। অনুষ্ঠান পৰিবেশনৰ সময়ত ঢুলীয়া দলে শাৰীপাতি থিয় দিয়ে আৰু মূল ঢুলীয়া দুজনে আগ-পিছাকৈ ঢোল বাদন প্ৰদৰ্শন কৰে। ঢুলীয়াৰ সাজপাৰ সাধাৰণ যদিও কোনো কোনো অঞ্চলত ঢুলীয়া দলৰ মূল ঢুলীয়া দুজনে মূৰত পাগ আৰু গাত ৰঙীন চোলা পৰিধান কৰি কঁকালত গামোছা বান্ধে। ঢুলীয়াই দৰ্শকক হহুৱাবৰ বাবে কেতিয়াবা খোলা অথবা কলপটুৱাৰ চিলোৱা হলো চোলাও পৰিধান কৰে। ঢুলীয়াই চৰিত্ৰ ভেদে ভিন ভিন সাজপাৰ

আছে মুখাৰ ব্যৱহাৰ কৰা দেখা যায়। মুখা ঢুলীয়াৰ সাজপাৰ প্ৰাচুৰ্য আছে আকৰ্ষণ বঢ়োৱাত প্ৰধান সহায়ক। ভাৱৰীয়াসকলে স্বভাৱসুলভ উচ্চস্বৰৰ দ্বাৰা গীত-পদ সংলাপ আওঁৰাই সৰলচিতীয়া দৰ্শক-শ্ৰোতাক সহজে আকৰ্ষণ কৰে। ভাৱৰীয়াত সহ-অভিনয়ৰ পৰম্পৰা নথকা হেতুকে স্ত্ৰী চৰিত্ৰসমূহ পুৰু-ষেই অভিনয় কৰে। ভাৱৰীয়াসকলে নানা প্ৰকাৰৰ লঘু ভাব-ভংগীমাৰে গীত-পদবোৰ প্ৰদৰ্শন কৰে। যেনে -

আহা আহা আহা বাপু বলোৰাম আহা
আহা

আজিও ঢুলীয়াৰ কাছুনা ববলৈ নাজানা
অ' মুৰত তোলা নাই ফুল এ
অ' বাপু বলৰাম আহা এ
অ' উজনিত নামৰ ঘাৰ দেখাতে ভয়ংকৰ
কৰতে কাটিলা ছেৰা নাল এ
কি এ বেতেৰে বান্ধিলা বান্ধ আটি আটি
নাম লম ধৰিলি দুৱা নাল এ।

বিগত শতিকাত নামনি অসমৰ ঢুলীয়া ভাৱৰীয়াৰ অনুষ্ঠানসমূহ লোকৰঞ্জনৰ মাধ্যম-ৰূপে সমাদৃত হৈছিল।

## ৩.১ কাজিপাৰা গাঁওৰ লোকপৰিবেশ্য কলা :

লোকসমাজ প্ৰধানতঃ কৃষিভিত্তিক । কৃষিভিত্তিক সমাজ জীৱনৰ লগত জড়িত হৈ আছে - বিভিন্ন বিশ্বাস, আচাৰ-অনুষ্ঠান, বিভিন্ন ধৰ্মীয় পৰম্পৰা তথা লোক মনোৰঞ্জন । কৃষিকাৰ্য্যৰ আৰম্ভণিৰ পৰা শস্য চপোৱালৈকে নাৰী-পুৰুষৰ উৰ্বৰতাজনিত বিবিধ লোকাচাৰ, ধৰ্মীয় পৰম্পৰা, লোকমনোৰঞ্জন, কৰ্মস্পৃহা বৃদ্ধি আদি বিভিন্ন কাৰণত আধাৰতেই গীত, নৃত্য আৰু নাট্যৰ সৃষ্টি হয় । এই গীত, নৃত্য আৰু লোকনাট্যৰ সমষ্টিয়েই হ'ল লোক পৰিবেশ্য কলা ।

আসাম লোকপৰিবেশ্য বা লোকনাট্য পৰম্পৰাৰ ক্ষেত্ৰত এক চহকী ৰাজ্য । বিশেষকৈ নামনি অসমত ইয়াৰ প্ৰভাব দেখা যায় । নামনি অসমৰ নলবাৰীৰ কাজিপাৰা গাঁওখনতো পৰিবেশ্য কলাৰ প্ৰভাব বিৰাজমান। কাজিপাৰা গাঁওখনত পূৰ্বতে প্ৰচলিত হোৱা ঢুলীয়া-ভাওৰীয়াৰ আৰিহণা মন কৰিবলগীয়া । পূৰ্বতে গাঁওখনত ঢুলীয়াই 'ঢোল' বজায় আৰু ভাওৰীয়াই ভাও কৰি জীৱিকা নিৰ্বাহ কৰাৰ প্ৰমাণ পোৱা যায় । ইয়াৰ উপৰিও অসমৰ এক অৰ্ধ নাটকীয়

পাৰিবেশ্য কলা ওজাপালিৰ প্ৰচলনো কাজিপাৰা গাঁওখনত হৈছিল। ইয়াত গাঁওখনৰ দুই-এজন লোকে অংশগ্ৰহণ কৰাৰ প্ৰমাণ পোৱা যায়। ওজাপালিৰ উপৰিও গাঁওখনত পুতলা নাচৰ নিদৰ্শনো পোৱা যায়। ভাগৱত, কালিকাপুৰাণ, গুৰুচৰিত আদিত উপাখ্যানিত পুতলা নাচবিধ বিশেষকৈ ৰাজহুৱা সভা-সমিতি, গুৰুজনাৰ জন্মোৎসৱ, নামঘৰ প্ৰতিষ্ঠাৰ দিন আদিত প্ৰদৰ্শন কৰা দেখা গৈছিল। গাঁওখনত পুতলা নাচৰ নিৰ্দিষ্ট দল নাছিল যদিও পাৰিবেশনৰ বাবে ইয়াক মাতি অনা দেখা গৈছিল।

উক্ত পাৰিবেশ্য কলাসমূহৰ উপৰিও গাঁওখনত নাগাৰা নামৰ প্ৰচলন বিশেষভাৱে দেখা যায়। বিশেষকৈ গাঁওখনৰ আয়তীসকলে মানুহৰ ঘৰে ঘৰে, নামঘৰ আদিত পবিত্ৰ অন্তৰেৰে সবাই নৈবেদ্য আগবঢ়াই ভাগৱত বা কীৰ্তনৰ শাৰী সুৰেৰে এই নামবোৰ পৰিৱেশন কৰা দেখা যায়। অসমৰ বৈষ্ণৱীয় সমাজত প্ৰচলিত বিভিন্ন নাম, যেনে: থিয় নাম, দিহা নাম, ঝুনা নাম, বহা নাম আদিও গাঁওখনত প্ৰচলিত। ইয়াৰ উপৰি লোকনাট্যানুষ্ঠানৰ নাটকৰ মি

কলা সোমাও বিশেষভাবে প্রচলিত। এই ক্ষেত্রত গাঁওখানর কেইবাজনবাকী নাট্যকারর নাম লবা পারি। সেইসমূহর ভিতরত - হরেশ্বর বর্মন, বৈরনীবির বর্মন, দিনেশ বর্মন, ডা: হেমেন বর্মন, মদন কাজি, হীরেন দেব বর্মন, প্রয়াত নৃপেন বর্মন, অসীম কুমার কাজি, গৌতম বর্মন, ব্রুর বর্মন উল্লেখনীয়।

## ৩.২ গীত-মাত নৃত্যকলাৰ পৰিচয়ঃ

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যক প্ৰধানত দুটা ভৌগলিক খণ্ডত বিভক্ত কৰা হৈছে। উজনি খণ্ড আৰু নামনি খণ্ড। ভাষা, সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বন আদিৰ ক্ষেত্ৰত এই দুয়োটা খণ্ডৰে কেতবোৰ সুকীয়া বৈশিষ্ট্য আছে। অসমৰ নামনি অঞ্চলৰ ভিতৰত নলবাৰীৰ এক বিশেষ বৈশিষ্ট্য আছে। গীত-মাত, উৎসৱ-পাৰ্বন, ভাষা, ধৰ্মীয় ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদিৰ ক্ষেত্ৰত নলবাৰী অঞ্চলে কামৰূপৰ ভালেখিনি বৈশিষ্ট্য বহন কৰিছে। নলবাৰী তথা অসমৰ নামনি অঞ্চলত এনে কিছুমান সুকীয়া উৎসৱ পাৰ্বন আৰু তাৰ লগত জড়িত গীত-মাতৰ প্ৰচলন আছে যিবোৰ অসমৰ আন ঠাইত পোৱা নাযায়। নলবাৰী জিলাৰ অন্তৰ্গত কাজিপাৰা গাঁওখনটো গীত-মাত নৃত্যকলাৰ এটি সুন্দৰ প্ৰভাৱ প্ৰতিফলিত হোৱা দেখা যায়।

লোকসাহিত্য হ'ল এটা জাতিৰ প্ৰধান দাপোনস্বৰূপ, যিখন দাপোনত লোক জীৱনৰ বিভিন্ন দিশ প্ৰতিবিম্বিত হয়। লোকসাহিত্যৰ

এটি অন্যতম অংগ হ'ল লোকগীত। অনাক্ষৰী আদিম চহা লোকসকলৰ দ্বাৰা ৰচিত এই গীতবোৰৰ মাজেৰে লোকমনৰ সুখ-দুখ, আশা-আকাংক্ষা, অভিজ্ঞতা, কল্পনা আৰু অনুভূতিৰ বিচিত্ৰ প্ৰকাশ ঘটিছে। লোকমন আৰু লোক-জীৱনৰ বিভিন্ন অভিব্যক্তিৰ প্ৰকাশ ঘটা এই লোকগীতবোৰ লোক সাহিত্যৰ অমূল্য সম্পদ। বিভিন্ন উৎসৱ-অনুষ্ঠানৰ লগত জড়িত লোক-গীতসমূহ ভক্তিমূলক আৰু ভক্তিনিৰপেক্ষ এই দুটা ভাগত বিভক্ত। নামনি অসমৰ নলবাৰী অঞ্চলৰ লগত জিলাখনৰ অন্তৰ্গত কাজিপাৰা গাঁওখনত ভক্তিমূলক বিভিন্ন উৎসৱ-অনুষ্ঠানত গোৱা গীতবোৰৰ ভিতৰত আই বা শীতলাৰ নাম, দুৰ্গাৰ নাম, মনসাৰ গীত, সুবচনী পূজাৰ গীত, অপেশ্বৰীৰ গীত, লক্ষ্মীৰ নাম, আইলা পূজাৰ নাম, জগন্নাথৰ নাম আদি উল্লেখযোগ্য। সেইদৰে বিভিন্ন উৎসৱ অনুষ্ঠানৰ লগত জড়িত অথচ ভক্তিনিৰপেক্ষ বিভিন্ন লোকগীত কাজিপাৰা গাঁওখনত প্ৰচলিত আছে। এনেবোৰৰ গীতৰ ভিতৰত বিয়ানাম, চূড়াকৰণৰ গীত, মহোহো গীত, বাম্বোলপিটা গীত, বিহুগীত আদি অন্যতম। ইয়াৰ উপৰিও বিভিন্ন কৰ্মমূলক বা কৰ্মৰ

লগত জড়িত লোকগীতবোৰ প্ৰচলন আছে। বীহুনাম বা মিচুকানি গীত, নাওখেলৰ গীত, বৰশীবোৱা গীত, কুঁহিয়াৰ পেৰা গীত, হালবোৱা গীত, গৰখীয়া গীত, বীনবনা গীত আদি এই শ্ৰেণীৰ অন্তৰ্গত।

উজনি আৰু নামনি নিৰ্বিশেষে সমগ্ৰ অসমত গভীৰ বিশ্বাস আৰু ভক্তিৰে পালন কৰা এটি অনুষ্ঠান হ'ল শীতলা পূজা বা আই সবাহ। বসন্ত ৰোগ নিৰাময়ৰ বাবে আই বা শীতলাৰ পূজা পতা হয় আৰু ইয়াত আই বা শীতলাৰ সবাহ পাতি নাম গোৱা হয়। কাজিপাৰা গাঁওখন-টো এই শীতলা পূজাৰ সবাহ পাতি নাম গোৱা হয়। অঞ্চলটোত প্ৰচলিত আই বা শীতলা নামৰ নিদৰ্শন হ'ল —

"আসন পাতি থৈছু কৰুণা মহামায়া
থাকক পাপীৰ কথা শুনি
সুবাসিত ফুলে আসন সাজাই দিছু
আগ বাঢ়ি আহা আই।"

ইয়াৰ উপৰিও গাঁওখনত সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসা, বিষহৰী আৰু, পদ্মাৱতী আদি বিভিন্ন নামেৰে জনাজাত এই গৰাকী দেৱীৰো পূজা কৰি গীত গোৱা হয়। দৰাচলতে এই পূজা ঘৰ

এখনৰ মংগল কামনা কৰি পালন কৰা হয়। এই পূজাৰ গীতবোৰৰ লগত বিদ্যমান লোকবিশ্বাস জড়িত হৈ আছে।

উক্ত গাঁৱখনত ভক্তিমূলক গীতসমূহৰ উপৰিও ভক্তিনিৰপেক্ষ গীতবো প্ৰচলন আছে। এই ভক্তিনিৰপেক্ষ লোকগীতৰ অন্যতম হ'ল বিবাহ উৎসৱৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত বিয়ানামসমূহ। পানী তোলা, দৰা- কইনা নোওৱা, সুৱাগ তোলা, দৰা আদৰা, কইনা হোমৰ গুৰিলৈ আনা, কইনা উলিয়াই দিয়া আদি বিভিন্ন উপলক্ষ্যত আয়তীসকলে এই গীতবোৰ গায়। কাজিপাৰা গাঁৱখনত প্ৰচলিত কইনা উলিওৱা গীতৰ এফাংশ এনেধৰণৰ -

"ৰবধৰৰ পাৰা আলে আ লগৰি
মাতৰাৰ মৰমক চাৰি হে
কিনৰো মায়ে লগৰি
দেহাত অগনি জ্বলে হে।"

বিয়ানামবোৰ মাজেৰে আয়তীসকলে সৰল কল্পনাশ্ৰয়ক আছে দাম্পত্য জীৱনৰ মধুৰ আদ-শ'ৰ কথা সুন্দৰভাৱে বৰ্ণিত কৰে।

অসমীয়া সমাজত বিবাহৰ দৰেই

জন্ম আৰু মৃত্যুৰ লগতো কিছুমান আচাৰ-অনুষ্ঠান জড়িত হৈ আছে। সন্তান জন্মৰ পিছত পালন কৰা তেনে দুটামান অনুষ্ঠান হ'ল-নামকৰণ, অন্নপ্ৰাশন, চূড়াকৰণ, লগুন দিয়া আদি। এই অনুষ্ঠানসমূহতো বিভিন্ন গীত গোৱা হয়। নলবাৰী অঞ্চলৰ লগতে কাজিপাৰাত প্ৰচলিত হোৱা চূড়াকৰণৰ গীতৰ এটি কলি এনেধৰণৰ —

"ছয় মাহতে বাপুৰ ভাৰচনি
আঢ়ে বছৰতে চুৰা
বাৰ বছৰত বাপুৰ লগুন দেনি
ষল্ল বছৰত বিয়া।"

গাঁৱখনত প্ৰচলিত আন এবিধ জনপ্ৰিয় লোকগীত হ'ল মহোহো গীত। আঘোণী পূৰ্ণিমাত এই মহখেদা বা মহোহো উৎসৱ পালন কৰা হয়। এই উৎসৱত গাঁৱৰ ডেকা-লগৰা-বোৰে সন্ধিয়াৰ পৰা মাজৰাতিলৈকে দল বান্ধি ঘৰে ঘৰে গৈ চোৰোলেখে শাক কাটি কিছুমান গীত গায়। এই গীত গাই গৃহস্থক আশীৰ্বাদ দিয়াৰ লগতে মহকেো খেদি পঠোৱা হয় বুলি এটি লোকবিশ্বাস প্ৰচলিত আছে। এনে মহোহো

গীতৰ নিদৰ্শন হ'ল —

'অ হৰি মহোহো
মহ খেদিব টোকন লৌ।
মহে দুলে মহঙ্গুদে।
টেপক পুৰা মালু দে ॥

মহোহো উৎসৱৰ লগত সাদৃশ্য থকা আন এবিধ উৎসৱ হ'ল উত্তৰ কামৰূপৰ জনজাতীয় লোক-সকলৰ মাজত প্ৰচলিত বাহ্মোলপিটা উৎসৱ। ভাদ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা এই উৎসৱত ডেকা ল'ৰাবোৰে হাতত টোকোন, ওখনি মাৰি আদি লৈ ৰাতি দলবান্ধি গৃহস্থৰ ঘৰে ঘৰে গৈ গীত গায়। এই গীতবোৰক বাহ্মোল-পিটা গীত বোলে।

উক্ত গাঁওসমূহত কৰ্মৰ লগত জড়িত বিভিন্ন লোকগীতৰ প্ৰচলনো দেখা যায়। এই গীতবোৰ আচলতে শ্ৰমৰ কষ্ট লাঘৱ কৰিবলৈ আৰু কামৰ সময়ত আনন্দ বিনোদনৰ উদ্দেশ্যে গোৱা হয়। ইয়াৰ উপৰিও ধাইনাম বা শিশুৰ মনত বিমল আনন্দ দিয়াৰ উদ্দেশ্যেৰে নিচুকনি গীতও গোৱা হৈছিল। এই গীতবোৰৰ প্ৰধান বৈশিষ্ট্য হ'ল অলৌকিক কল্পনাৰ প্ৰাধান্য। এই অঞ্চলটোত

প্ৰচলিত নিচুকনি গীতৰ এফাংশ এনেধৰণৰ—
'আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰি যাব
আমাৰে মইনাই বুটলি খাব।'

নিচুকনি গীতৰ উপৰিও কৃষিজীৱি সমাজত গৰখীয়াসকলৰ মাজত প্ৰচলিত আন এবিধ লোকগীত হ'ল গৰখীয়া গীত। গৰখীয়াসকলে ক্লান্তি দূৰ কৰি আনন্দ বিনোদনৰ বাবে এই গীত গায়। বহাগৰ পঞ্চবিহুত গোৱা এটি জনপ্ৰিয় গৰখীয়া গীত হ'ল—

'দীঘলতী দীঘল পাত।
গৰুৰ কুঁৰাও জাত জাত॥
মাৰে সৰু বাইপো সৰু।
তই হবি বৰ গৰু॥
লাউ খা বাঙনা খা।
বছৰে বছৰে বাঢ়ি যা॥'

উপৰোক্ত প্ৰচলিত গীত-মাতবোৰে জনজীৱনৰ প্ৰতিফলন ঘটোৱাৰ লগতে অঞ্চলটোৰ বিশেষ বৈশিষ্ট্যও বহন কৰিছে।

## ৩.৩ সামাজিক অৱদান :

নলবাৰীৰ সমাজ জীৱনত কাজিপাৰীয়াৰ অৱদান অনস্বীকাৰ্য। সামাজিক নেতৃত্বৰ লগে লগে সাহিত্য - ক্ৰীড়া - সাংস্কৃতিক ক্ষেত্ৰখনত অতীজৰে পৰা কাজিপাৰাই উল্লেখযোগ্য অৱদান যোগাই আহিছে। বিদ্যালয়ভিত্তিক দিশতো কাজিপাৰাৰ এক স্থান আছে। গাঁওখনৰ শান্তিপূৰ্ণ পৰিৱেশক চহৰৰ কোলাহলে স্পৰ্শ কৰিবলৈ সক্ষম হোৱা নাই। সেয়েহে কাজিপাৰাত পঢ়া-শুনাৰ পৰিৱেশ অতি সুন্দৰ। ইয়াৰ সামাজিক বাতাবৰণে বাসিন্দাসকলৰ মনত সু-সাংস্কৃতিক ভাৱধাৰাৰ জন্ম দিয়ে। আইসকলৰ নামতী দলৰ নাম গোৱা দল, পুৰুষসকলৰ নামৰ দল লগতে মহিলাসকলৰ জেং বিহুৰ দলে কাজিপাৰাৰ সাংস্কৃতিক পৰম্পৰা ৰক্ষাত প্ৰভৃতি অৰিহণা যোগাবলৈ সক্ষম হৈছে। ইয়াৰ লগে লগে বিভিন্নজনে নিজস্বভাৱে সংগীত, নৃত্য, নাটক চৰ্চা অব্যাহত ৰখা দেখা যায়। নাট্য শিল্পৰ ক্ষেত্ৰতো অতীজৰেপৰা কাজিপাৰাৰ এক বিশেষ স্থান জিলাখনৰ ভিতৰতে আছে বুলি কলে নিশ্চয় ভুল কোৱা নহয়।

কাজিপাৰাৰ পৰাই বিশিষ্ট হৰেশ্বৰ

বৰ্মনদেৱ একেবাৰে নাট্যকাৰ, সু-চিকিৎসক, পৰিৱৰ্তনকামী ৰাজনৈতিক ব্যক্তি আছিল। মিপৰা-কীৰ নলবাৰী সমাজ জীৱনলৈ অৱদান যথেষ্ট। কৃতি শিক্ষক বীৰনীৰৰ বৰ্মনদেৱ, তেখেতৰো নলবাৰী বাসীলৈ অৱদান যথেষ্ট আছে। তেখেত এগৰাকী নাট্য-শিল্পী হিচাপে নলবাৰীত সাংস্কৃতিক জগতখনত লগত পৰিচিত। অসমৰ এগৰাকী সুদক্ষ প্ৰশাসনিক বিষয়া দিনেশ বৰ্মন এই কাজিপাৰাৰেই সন্তান। তেওঁ এগৰাকী দক্ষ প্ৰশাসনিক বিষয়াৰ উপৰিও সু-অভিনেতা। আন এগৰাকী ব্যক্তি হৈছে ডাঃ হেমেন বৰ্মন। বৰ্মন ডাঙৰীয়া এগৰাকী সু-চিকিৎসকৰ উপৰিও এজন সু-অভিনেতাও।

অসমৰ নাট্য জগতত এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হোৱা কাজিপাৰাৰ নাট্য ইতিহাস অতি চহকী। নাট্যকাৰ অভিনেতা, পৰিচালক মদন কাজি অসমৰ অ-পেচাদাৰী নাট্যক্ষেত্ৰখনৰ উজ্বল তোৰাতৰা। ইয়াৰ পিছতো অসমৰ অ-পেচাদাৰী লগতে ভ্ৰাম্যমান নাট্যজগতৰ সু-দক্ষ অভিনেতা হীৰেন দেৱ বৰ্মনৰ নাম ল'ব লাগিব কাৰণ তেখেত অসমৰ নাট্যক্ষেত্ৰখনৰ এক উজ্বল নাম। পৰৱৰ্তী অসমত অসমৰ অ-পেচাদাৰী নাট্য আন্দোলনত এক বিশিষ্ট অৱদান আগবঢ়াবলৈ সক্ষম হৈছিল প্ৰয়াত নৃপেন বৰ্মন ডাঙৰীয়াই। নাট পৰিচালক, অভিনেতা কন্দৰ্প

মহন্তও অপেচাদাৰী নাট্য জাগৰণৰ এক বিশিষ্ট শিল্পী। ঠিক তেনেদৰে অজিত মহন্ত তাওৰীয়াও এজন সু-দক্ষ নাট্যকাৰ হিচাপে প্ৰতিষ্ঠিত। অসমৰ সু-দক্ষ ঘোষক অসীম কুমাৰ কাজিও কাজিপাৰাৰেই সন্তান। ইয়াৰ পিছতে আমি নাম লম গৌতম বৰ্মন তাওৰীয়াৰ। তেখেতো এজন সু-অভিনেতা হিচাপে পৰিচিত।

ইয়াৰ পিছৰ পৰ্য্যায়ত এজন নাট্যকৰ্মী, মঞ্চ-শিল্পী বা মঞ্চ অভিনেতা আৰু পৰিচালক হিচাপে ক্ষীৰ্ বৰ্মন নলবাৰীৰ নতুন প্ৰজন্মৰ নাট্যকৰ্মীসকলৰ ভিতৰত প্ৰতিষ্ঠিত। আকৌ, অসমৰ 'ঐকতান বঁটা'ৰে সন্মানিত ৰঞ্জিত বৰ্মন অসমৰ এগৰাকী প্ৰতিষ্ঠিত সু-গীতিকাৰ তথা সাংস্কৃতিক কৰ্মী আৰু 'আধুনিক নলবাৰী নাট্য মন্দিৰ'ৰ সুদীৰ্ঘ কাৰ্য্যকালৰ সাধাৰণ সম্পাদকো আছিল।

ক্ৰীড়াৰ ক্ষেত্ৰখনতো কাজিপাৰাৰ অৱদান সদায়ে দেখা যায়। জিলাখনৰ সুদক্ষ খেলুৱৈ তথা ক্ৰীড়া সংগঠনৰ নেতৃত্বত কাজিপাৰাৰ সন্তান আজিও আছে। নবীন বৰ্মন, পংকজ মহন্ত, প্ৰদীপ বৰুৱা (বাবুল), হেমেন্দ্ৰ মহন্ত আদি ব্যক্তিসকলৰ অৱদান উল্লেখযোগ্য। উপৰোক্ত ব্যক্তিসকলৰ অৱদানৰ বাবে কাজিপাৰাৰ সমাজখন আজিও জাকতজিলিকা।

## ৩.৪ বিশ্বায়নৰ প্ৰভাৱ :

বিশ্বায়ন বৰ্তমান সময়ত এটা অতি পৰিচিত নাম হৈ পৰিছে। এতিয়া এনে এক ভাৱধাৰাৰ জন্ম হৈছে যে আজিৰ বিশ্ব পৰিস্থিতিত বিশ্বায়নৰ জালত নোসোমোৱাকৈ এখোজ কাঢ়েই নহ'ব। দেশখন আগবঢ়াই নিবলৈ হ'লেও বিশ্বায়নৰ প্ৰয়োজন বুলি সৰৱ প্ৰচাৰ হয়। কিন্তু এই বিশ্বায়নেই যেতিয়া আত্মপৰিচয় বিলুপ্তিৰ কাৰণ হৈ পৰে, তেতিয়া ই চিন্তাৰ কাৰণ হয়। জ্যোতিপ্ৰসাদ আগৰৱালাইও কৈছিল যে আমাক বিশ্বৰ সেইখিনি সংস্কৃতি লাগে যিখিনি সংস্কৃতিয়ে আমাৰ সংস্কৃতিক অধিক সমৃদ্ধ কৰে। এই বিশ্বায়নৰ প্ৰভাৱতে অসমীয়াৰ দৰে সৰু সৰু জাতিসমূহৰ লগতে বিভিন্ন জাতি যিয়ে নিজৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিক লৈ জীয়াই আছিল, নিজৰ সংস্কৃতিক আগুৱাই নিছিল, সেইসকল আজি অস্তিত্বৰ সংকটত পৰিছে।

এই বিশ্বায়নৰ কবলত নলবাৰী জিলাৰ অন্তৰ্গত কাজিপাৰা গাঁওখনো সোমাই পৰা দেখা যায়। এই ক্ষেত্ৰত গাঁওখনত প্ৰথম

আঘাত সহ্য কৰিছে ভাষাই। আজি অসমীয়া ভাষাক শুদ্ধকৈ কʼব আৰু লিখিব পৰা মানুহ দুৰ্লভ হৈ পৰিছে। ইংৰাজী হিন্দী ভাষাৰ আগ্ৰাসনে অসমীয়া ভাষাত এক খিচিৰি ভাষাৰ প্ৰচলন দেখা গৈছে। গাঁওখনটো খিচিৰি ভাষাৰ প্ৰভাৱ দেখিবলৈ পোৱা গৈছে। ভাষাৰ উপৰিও সংস্কৃতিৰ ওপৰতো গাঁওখনত প্ৰভাৱ পৰা দেখা যায়। এই ক্ষেত্ৰত বিহু বা আন লোকগীতসমূহৰ কথা কʼব পাৰি। গাঁওখনত এই গীতসমূহে প্ৰকৃত সুৰৰ পৰা ফালৰি কাটি বজৰুৱা সুৰ বা বিশ্বায়নৰ সুৰ গ্ৰহণ কৰে। ইয়াৰ উপৰিও গাঁওখনৰ বিয়াহ অনুষ্ঠানটো বিশ্বায়নৰ প্ৰভাৱ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে পাশ্চাত্যৰ কিছুমান অনুষ্ঠান হালধী, মেহেন্দী আদি অনুষ্ঠানৰ প্ৰভাৱ দেখা যায়।

উক্ত প্ৰভাৱবোৰৰ উপৰিও গাঁওখনত সাজ-পাৰৰ ওপৰতো এক বিক্ষিপ্ত প্ৰভাৱ পৰা দেখা যায়। সাজ-পাৰৰ লগতে খাদ্য বস্তুৰ ওপৰতো এক বিশেষ প্ৰভাৱ পৰিলক্ষিত। উদাহৰণস্বৰূপে- অসমীয়া মানুহৰ খাদ্যৰ উপৰি দক্ষিণ ভাৰতৰ ইডলি, বৰা আদিৰ প্ৰভাৱ

উল্লেখনিয়।

কাজিপাৰা গাঁওখনৰ শিক্ষাৰ ওপৰতো যথেষ্ট পৰিমাণৰ প্ৰভাৱ পৰিছে। উদাহৰণস্বৰূপে- সামাজিক মাধ্যমৰ কিছুমান উপাদান মোবাইল, কম্পিউটাৰ আদিৰ কু-প্ৰয়োগৰ ফলত জ্ঞান অৰ্জন বা শিক্ষাৰ প্ৰতি থকা হেপাহ কিছু পৰিমাণে নাইকীয়া হোৱা দেখা গৈছে।

## ৪.০ পৰিসমাপ্তি বা নিজা মন্তব্য:

গৱেষণা বিষয়টি এটি জটিল বিষয়। উচ্চ শিক্ষাৰ অগ্ৰসৰতাৰ বাবে আধুনিক শিক্ষা ব্যৱস্থাত গৱেষণা বিষয়ৰ অপৰিহাৰ্য্যতা আছে। আমাৰ ভাৰতীয় শিক্ষা ব্যৱস্থাত বৰ্তমানে গৱেষণা শিক্ষা পদ্ধতি পাঠ্যক্ৰমত অন্তৰ্ভুক্তি কৰণত এক ইতিবাচক দিশ লাভ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ ASM-HE-6056 কাকতখন বাধ্যতামূলকভাৱে ক্ষুদ্ৰ গৱেষণা কাৰ্য্যত অন্তৰ্ভুক্তি কৰিছে।

গৱেষণা শিক্ষা হৈছে উপযুক্ত প্ৰমাণ, তথ্য, ক্ষেত্ৰ অধ্যয়ন আৰু প্ৰণালীবদ্ধভাৱে এক লিখনৰ কাৰ্য্য। মই স্নাতক তৃতীয় বৰ্ষৰ অসমীয়া বিভাগৰ একগৰাকী ছাত্ৰী হোৱা হেতুকে এম. এন. চি. মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা আৰু সহকাৰী অধ্যাপিকা-সকলৰ সন্মতিত “কাজিপাৰা গাঁওৰ ঐতিহ্য’ৰ এটি বিশ্লেষণাত্মক অধ্যয়ন কৰো।

ক্ষুদ্ৰ গৱেষণা কাৰ্যটিত জড়িত হৈ মই গৌৰৱবোধ কৰিছো। কাৰণ ইয়াৰ ভৱিষ্যতে বিষয়টিৰ

উপৰত সূক্ষ্মাতি-সূক্ষ্মভাৱে অৱগত হ'ব পাৰিছো। কাজিপাৰা গাঁওখনৰ কলা-সংস্কৃতি, বৰ্ণ, ধৰ্ম আদিৰ বিষয়ে বিশেষভাৱে জানিব পাৰিছো।

পৰিশেষত ক্ষুদ্ৰ গৱেষণা বিষয়টি প্ৰস্তুত কৰি এটা সিদ্ধান্ত উপনিত হৈছো যে এই গৱেষণাৰ ভৱিষ্যতে কিছুমান নতুন নতুন দিশৰ উন্মোচন কৰিব পাৰি। পিছলৈ এই ক্ষুদ্ৰ গৱেষণাটিৰ ভৱিষ্যতে সমাজৰ লগতে ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক দিশত সহায়ক হ'ব বুলিও আশা কৰিলো।

## ৮.০ সহায়ক গ্ৰন্থপঞ্জী :


**স্মৃতিগ্ৰন্থ :**

১/ কাজিপাৰীয়া : সত্যেন্দ্ৰ মিশ্ৰ (প্ৰকাশক)
শ্ৰী প্ৰবীণ বৰ্মন
শ্ৰী প্ৰণৱ তালুকদাৰ
(সম্পাদকদ্বয়)
প্ৰকাশ : ১২ আৰু ১৩ ফেব্ৰুৱাৰী, ২০১৯ ইং

**গ্ৰন্থপঞ্জী :**

২/ ভূঞা, ড° মনিমা : লোক সাংস্কৃতিক ৰূপদৰ্শন
প্ৰথম প্ৰকাশ : ২০১৭ ইং

৩/ শৰ্মা, ড° নবীন চন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস
প্ৰথম প্ৰকাশ : ১৯৮৯ ইং


## ৮.০ চিত্ৰ সংযোজন



চিত্ৰ নং ১: কাজিপাৰা শ্ৰী শ্ৰী বাসুদেৱ মন্দিৰৰ এটি আলোকচিত্ৰ



চিত্ৰ নং ২: কাজিপাৰা অঞ্চলৰ এটি আলোকচিত্ৰ.



চিত্ৰ নং ৩: কাজিপাৰা শ্ৰী শ্ৰী বাসুদেৱ মন্দিৰৰ ৰংমঞ্চ



চিত্ৰ নং ৪: কাজিপাৰা অঞ্চলৰ এটি আলোকচিত্ৰ